**2 SEM TDC ASM H (CBCS) C 3**

**2022**

( June/July )

ASSAMESE

( Core )

Paper : C–3

( ভাষা বিজ্ঞানৰ পৰিচয় )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) ভাষাৰ মৌলিক উপাদান কেইটা আৰু কি কি? উপাদানসমূহৰ বিষয়ে আলোচনা কৰা। ১+২+১২=১৫

অথবা

(খ) চমু টোকা লিখাঁ (যি কোনো তিনিটা) : ৫×৩=১৫

(১) সামাজিক উপভাষা

(২) সংযোগী ভাষা

(৩) নৃ-গোষ্ঠীয় উপভাষা

(৪) পিজিন

২। (ক) তুলনামূলক ভাষাবিজ্ঞান কাক বোলে? ভাষাসমূহৰ মাজত পাৰস্পৰিক সম্পৰ্ক নিৰ্ণয়ৰ ক্ষেত্ৰত তুলনামূলক ভাষাবিজ্ঞানে কেনেদৰে সহায় কৰে, উদাহৰণসহ আলোচনা কৰা। ৩+১২=১৫

*অথবা*

(খ) বৰ্ণনাত্মক ভাষাবিজ্ঞান আৰু সমাজ ভাষাবিজ্ঞানৰ বৈশিষ্ট্য উল্লেখ কৰি এটি নিবন্ধ যুগুত কৰা। ১৫

৩। (ক) ধ্বনিবিজ্ঞান কাক বোলে? ধ্বনিবিজ্ঞান কেইপ্ৰকাৰৰ আৰু কি কি? ধ্বনিবিজ্ঞানৰ যি কোনো দুটা শাখাৰ বিষয়ে আলোচনা কৰা। ২+১+৩+৮=১৪

*অথবা*

(খ) তলৰ যি কোনো **দুটাৰ** বিষয়ে লিখা : ৭+৭=১৪

(১) ধ্বনিবিজ্ঞান আৰু ধ্বনিতত্ত্ব

(২) বাক্যতত্ত্ব

(৩) অৰ্থবিজ্ঞান

৪। (ক) ভাষাৰ বৰ্গীকৰণ বুলিলে কি বুজা? বৰ্গীকৰণৰ পদ্ধতি-কেইটাৰ নাম উল্লেখ কৰি যি কোনো এটা পদ্ধতিৰ বিষয়ে আলোচনা কৰা। ২+৩+১০=১৫

*অথবা*

(খ) চীন-তিব্বতীয় ভাষা-পৰিয়ালৰ অন্তৰ্গত অসমত প্ৰচলিত যি কোনো দুটা ভাষাৰ বৈশিষ্ট্য সামৰি এটি আলোচনা আগবঢ়োৱা। ১৫





৫। (ক) অসমত ভাষা চৰ্চাৰ ইতিহাস সম্পৰ্কে এটি আলোচনা যুগুত কৰা। ১৬

*অথবা*

(খ) পাশ্চাত্যৰ ভাষা চৰ্চাত মিছনেৰীসকলৰ ভাষা চৰ্চাৰ ধাৰা আৰু নব্য বৈয়াকৰণিক ধাৰাৰ বিষয়ে আলোচনা কৰা। ৮+৮=১৬

৬। চমু উত্তৰ দিয়া : ১×৫=৫

(ক) পাণিনিৰ 'অষ্টাধ্যায়ী' ব্যাকৰণখনক 'মানৱ বুদ্ধিমত্তাৰ সৰ্বোৎকৃষ্ট নিদৰ্শন' বুলি কোনে মন্তব্য কৰিছিল?

(খ) তুলনামূলক ভাষা অধ্যয়নৰ বাটকটীয়া ব্যক্তিজনৰ নাম কি?

(গ) অসমীয়াত লিখা অসমীয়া ভাষাৰ প্ৰথম ব্যাকৰণখনৰ নাম কি?

(ঘ) অসমীয়া ধ্বনিতত্ত্ব সম্পৰ্কে লিখা প্ৰথম গ্ৰন্থখনৰ নাম কি?

(ঙ) 'আধুনিক ভাষা-বিজ্ঞানৰ পৰিচয়' গ্ৰন্থখনৰ লেখক কোন?

★★★

Total No. of Printed Pages—3

## 2 SEM TDC ASM H (CBCS) C 4

**2022**

( June/July )

ASSAMESE

( Core )

Paper : C–4

( সাহিত্যতত্ত্ব )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) ধ্বনিবাদৰ প্ৰধান আচাৰ্য্যগৰাকী কোন?

(খ) 'সাহিত্য দৰ্পণ' গ্ৰন্থৰ লেখক কোন?

(গ) 'নন্দনতত্ত্ব : প্ৰাচ্য আৰু পাশ্চাত্য' গ্ৰন্থৰ ৰচক কোন?

(ঘ) 'যমক' কোন শ্ৰেণীৰ অলংকাৰ?

(ঙ) পাশ্চাত্যৰ এজন ৰমণ্যাসিক কবিৰ নাম লিখাঁ।

(চ) ‘Modernism’ৰ অসমীয়া প্ৰতিশব্দ কি ?

(ছ) শংকৰদেৱৰ ‘গুণমালা’ত ব্যৱহৃত ছন্দটোৰ নাম কি ?

(জ) পুৰণি অসমীয়া কবিতাত ব্যৱহৃত কোনবিধ ছন্দক ৰজাছন্দ বুলি কোৱা হয় ?

২। (ক) শব্দশক্তি কাক বোলে? শব্দশক্তি কেইপ্ৰকাৰৰ উল্লেখ কৰি এটি চমু পৰিচয় আগবঢ়োৱাঁ। ২+১২=১৪

*অথবা*

(খ) কাব্যৰ ৰীতি বুলিলে কি বুজায়? ৰীতিবাদীসকলে আগবঢ়োৱা মতৰ আধাৰত এটি আলোচনা আগবঢ়োৱাঁ। ৪+৫+৫=১৪

৩। (ক) পাশ্চাত্যৰ সমালোচকসকলে আগবঢ়োৱা ৰমণ্যাসবাদৰ সংজ্ঞাসমূহ উল্লেখ কৰি এটি আলোচনা যুগুত কৰাঁ। ১৪

*অথবা*

(খ) আধুনিকতাবাদ কি? আধুনিকতাবাদৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি এটি আলোচনা আগবঢ়োৱাঁ। ৪+১০=১৪

৪। (ক) অলংকাৰ কি? শব্দালংকাৰ কাক বোলে? অনুপ্ৰাস অলংকাৰৰ বিষয়ে বিৱৰি লিখাঁ। ৩+২+১০=১৫

*অথবা*

(খ) সংজ্ঞা লিখি উদাহৰণ দিয়াঁ (যি কোনো তিনিটা) : ৫×৩=১৫

বক্ৰোক্তি ; উপমা ; উৎপ্ৰেক্ষা ; অতিশয়োক্তি ; ব্যতিৰেক।





৫। (ক) ছন্দ কাক বোলে? ছন্দৰ উপাদানসমূহ উল্লেখ কৰি পুৰণি অসমীয়া ছন্দৰীতিৰ এটি পৰিচয় আগবঢ়োৱাঁ। ২+৩+১০=১৫

*অথবা*

(খ) ছন্দ সজ্জা বুলিলে কি বুজায়? পদ, দুলড়ী আৰু লেছাৰি ছন্দসজ্জাকেইটা উদাহৰণসহ বুজাই লিখাঁ। ৩+৪+৪+৪=১৫

৬। চমু টোকা লিখাঁ (যি কোনো দুটা) : ৭×২=১৪

(ক) যতি আৰু ছেদ

(খ) পৰ্ব আৰু চৰণ

(গ) মুক্তক ছন্দ

(ঘ) আখৰ, অক্ষৰ

★★★